# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-10-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

***- - - - - - - - - - - - -***

১।	সমগ্ৰ দেশৰ লগতে অসমতো পোহৰৰ উৎসৱ দীপাৱলী পালনৰ ব্যাপক প্ৰস্তুতি। সেউজ দীপাৱলী উদযাপন কৰিবলৈ ৰাজ্য চৰকাৰৰ আহ্বান।
২।	দীপাৱলী উপলক্ষে অযোধ্যাৰ ৰাম মন্দিৰত ২৮ লাখ বন্তি প্ৰজ্বলনেৰে বিশ্ব অভিলেখৰ কাৰ্যসূচী।
৩।	মিচিং ভাষা দিৱস উপলক্ষে মিচিং ভাষাৰ প্ৰসাৰৰ হকে অহোপুৰুষাৰ্থ কৰি অহা বৰেণ্য ব্যক্তি তথা সংগঠনসমূহক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অভিনন্দন।
৪।	দীঘলীপুখুৰীপাৰৰ পুৰণি গছ কটাৰ সিদ্ধান্তৰ বিৰুদ্ধে ৰাইজ, শিক্ষাৰ্থীৰ প্ৰতিবাদৰ পাছতে বিকল্প প্ৰস্তাৱৰ সন্ধান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য। **আৰু**
৫।	২০০৮ চনৰ আজিৰ দিনটোত উগ্ৰপন্থীৰ ধাৰাবাহিক বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকললৈ মুখ্যমন্ত্ৰীৰ লগতে বিভিন্ন দল-সংগঠনৰ শ্ৰদ্ধাঞ্জলি।

ooooo

কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিক্ৰেতাসকলে অস্থায়ী বিপণী মুকলি কৰি দীপাৱলীৰ বাবে চাকি, ফটকাকে ধৰি সামগ্ৰীসমূহ বিক্ৰী কৰিছে। মহানগৰীৰ বাট-পথসমূহো আলোকমালাৰে সজ্জিত কৰি তোলা হৈছে। মৃৎশিল্পীসকলে প্ৰস্তুত কৰা মাটিৰ চাকিৰে বজাৰসমূহ ভৰি পৰিছে। ইয়াৰ লগতে বিভিন্ন বিজুলী বাতি তথা অন্যান্য প্ৰয়োজনীয় পূজাৰ উপকৰণ আৰু সা-সামগ্ৰীৰে দোকানসমূহ সজাই তোলা হৈছে। বাসগৃহসমূহো আটক ধুনীয়াকৈ আলোকমালাৰে সজ্জিত কৰা হৈছে। সমান্তৰালকৈ কালী পূজাৰ বাবে মন্দিৰসমূহত ব্যাপক প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে।

ইপিনে, প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডে সকলোকে সেউজ দীপাৱলী উদযাপন কৰিবলৈ আহ্বান জনাইছে। দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত ৰাজহুৱা শান্তি-শৃংখলা, সুৰক্ষা তথা শব্দ প্ৰদূষণ ৰোধ কৰাৰ স্বাৰ্থত আৰু দেশৰ উচ্চতম ন্যায়ালয়ৰ আৰু পৰিৱেশ সুৰক্ষা নিয়ম ১৯৮৬ৰ প্ৰতি সন্মান জনাই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ সংশ্লিষ্ট ধাৰাৰ অধীনত নগাঁও জিলাত জাৰি কৰা নিষেধাজ্ঞা অনুসৰি দীপাৱলীৰ দিনা নিশা ১০ বজালৈ আৰু ষট পূজাৰ দিনা পুৱা ৬ বজাৰ পৰা ১০ বজালৈকে নাগৰিকে ফটকা ফুটাব পাৰিব।

শব্দ, বায়ু প্ৰদূষণবিহীন দীপাৱলী পালন কৰাৰ উদ্দেশ্যে তামুলপুৰ পৌৰ সভা আৰু অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ তামুলপুৰ খণ্ডৰ যুটীয়া উদ্যোগত আজি সেউজ দীপাৱলীৰ এটা শোভাযাত্ৰা উলিওৱা হয়। এই সেউজ দীপাৱলী উদযাপনৰ উদ্দেশ্য হ'ল মাটিৰ চাকিৰ ব্যৱহাৰ তথা শব্দ আৰু বায়ু প্ৰদূষণবিহীনভাৱে দীপাৱলী পালন কৰা। শোভাযাত্ৰাত অংশগ্ৰহণকাৰীসকলে বায়ু আৰু শব্দ প্ৰদূষণ ৰোধ কৰাৰ বাবে বিভিন্ন

শ্ল'গান দি জনসাধাৰণক আহ্বান জনায়। পোহৰৰ উৎসৱ দীপান্বিতা নিৰাপদে অনুষ্ঠিত কৰাৰ বাবে বঙাইগাঁও জিলা প্ৰশাসনে কেতবোৰ পদক্ষেপ লোৱাৰ লগতে নিৰ্দেশনাও জাৰি কৰিছে। এই নিৰ্দেশমৰ্মে জিলাখনত অগ্নি নিৰ্বাপক আৰু জৰুৰীকালীন সেৱা বিভাগক সষ্টম হৈ থাকিবলৈ কোৱা হৈছে। প্ৰদূষণ ৰোধ কৰাৰ বাবে জনসাধাৰণক সেউজ দীপাৱলী পালন কৰাৰ লগতে জিলাখনৰ পেট্ৰ'ল পাম্পসমূহৰ আশে-পাশে ফটকা ফুটুৱাৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি এই সময়ছোৱাত আৰক্ষী আৰু জিলা পৰিবহণ বিভাগক সুৰাপান কৰি আৰু তীব্ৰ গতিৰে গাড়ী চলোৱাৰ পৰা বিৰত থকা তথা পথ সুৰক্ষাৰ অন্যান্য নিয়মসমূহ মানি চলিবলৈ কোৱা হৈছে।

উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহা প্ৰৱন্ধকে ফটকা প্ৰস্তুত কৰা উদ্যোগ পৰিদৰ্শন কৰি এই উদ্যোগৰ কৰ্মচাৰীসকলৰ নিৰাপত্তাৰ ক্ষেত্ৰত স্বত্বাধিকাৰীসকলে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে এই বিষয়ে পৰ্যালোচনা কৰে।

সেউজ আৰু প্ৰদূষণমুক্ত দীপাৱলী উদযাপনৰ বাবে জনসাধাৰণক আহ্বান জনাই প্ৰকৃতিপ্ৰেমী দেৱাংগ মহলীয়াই এইদৰে কয়–

**-বাইট-**

০০০০০

সমগ্ৰ দেশজুৰি পোহৰৰ উৎসৱ দীপাৱলী উৎসাহ-উদ্দীপনাৰে পালন কৰাৰ বাবে প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। ৰাম জনমভূমি মন্দিৰতো প্ৰথম দীপাৱলী উৎসৱৰ আয়োজন প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অযোধ্যাত ২৮ লাখ বন্তি প্ৰজ্বলনেৰে বিশ্ব অভিলেখ গঢ়াৰ কাৰ্যসূচী আয়োজন কৰা হয়। ৰাম মন্দিৰ চৌহদত এইবাৰ উদযাপন কৰিবলগীয়া দীপাৱলী উৎসৱ বিশেষভাৱে ব্যতিক্ৰম হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। অযোধ্যাত নৱনিৰ্মিত ৰাম মন্দিৰৰ মহাঅভিষেকৰ পাছৰ **দীপোৎসৱ ২০২৪** হিচাপে উদযাপন কৰিবলগীয়া এই প্ৰথমটো দীপাৱলীৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰিব। সৰযু নৈৰ পাৰত ২৮ লাখ চাকি প্ৰজ্বলন কৰি ৰাম মন্দিৰ পোহৰাই তোলা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

ভাৰতীয় ৰে'লৱেই দীপাৱলী আৰু ষট পূজা উপলক্ষে জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি হাজাৰৰো অধিক বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত ২ হাজাৰ ৫০০ৰো অধিক বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। আনহাতে উত্তৰ-পূব সীমান্ত ৰে'লৱেও দীপাৱলী আৰু ষট পূজা উপলক্ষে উত্তৰ-পূবত কেইবাখনো বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। এই সন্দৰ্ভত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই এইদৰে কয়-

**বাইট**

০০০০০

মিচিং ভাষা দিৱস উপলক্ষে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনগোষ্ঠীটোৰ লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ অন্যতম নৃগোষ্ঠী, চহকী লোকসংস্কৃতি, বাচকবনীয়া হস্তশিল্প, বয়নশিল্প আৰু সাংস্কৃতিক সম্ভাৰেৰে সমৃদ্ধ মিচিংসকলে অসমৰ জনজীৱনলৈ উল্লেখনীয় অৱদান আগবঢ়াই আহিছে। এই দিৱস উপলক্ষে মিচিং ভাষাৰ প্ৰসাৰৰ হকে অহোপুৰুষাৰ্থ কৰি অহা বৰেণ্য ব্যক্তি তথা সংগঠনসমূহক মুখ্যমন্ত্ৰীয়ে অভিনন্দন জনায়। তেওঁ কয় যে ৰাজ্য চৰকাৰে অসমৰ প্ৰতিটো ভাষাৰ উত্তৰণ, প্ৰচাৰ-প্ৰসাৰৰ হকে কাম কৰি আহিছে আৰু আগলৈও কাম কৰি যাব। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মিচিং ভাষা দিৱসৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি কয় যে সুৱদী-

সুৰীয়া মিচিং ভাষা অসমৰ বৰ্ণাঢ্য ভাষা সংস্কৃতিৰ অভিন্ন অংগ। ভাষাটোৰ সমৃদ্ধি আৰু প্ৰসাৰেৰে বৃহত্তৰ অসমীয়া জাতিৰ ভাষা-কৃষ্টিক টনকিয়াল কৰিবলৈ তেওঁ আহ্বান জনায়।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও মিচিং ভাষা দিৱস উপলক্ষে আজি জনগোষ্ঠীটোৰ লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখযোগ্য যে ১৯৮৫ চনৰ ৩০ অক্টোবৰৰ দিনটোত অসম চৰকাৰে ৰাজ্যখনৰ অন্যতম ভূমিপুত্ৰ মিচিংসকলৰ ভাষাক আঞ্চলিক ভাষা হিচাপে স্বীকৃতি দিছিল। তেতিয়াৰেপৰা এই দিনটো মিচিং ভাষা দিৱস হিচাপে পালন কৰি অহা হৈছে। আজি এই দিৱস উপলক্ষে মিচিং আগম কোবাঙৰ উদ্যোগত জনগোষ্ঠীটো অধ্যুষিত বিভিন্ন অঞ্চলত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০০

অসমে ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ মেগাৱাট সৌৰ শক্তি উৎপাদনৰ লক্ষ্য স্থিৰ কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনে লগতে সৌৰ শক্তিৰ সঞ্চয় আৰু বিতৰণ ব্যৱস্থা শক্তিশালী কৰাৰ বাবেও পদক্ষেপ লৈছে। তেওঁ কয় যে বৰ্ধিত ঘৰুৱা আৰু উদ্যোগিক চাহিদা পূৰণৰ বাবে অসমে ৰাজ্যখনত স্বচ্ছ শক্তিৰ উৎপাদন বৃদ্ধি কৰিবলৈ ভালেমান পদক্ষেপ লৈছে। কাৰ্বি আংলং জিলাত ৫০০ মেগাৱাট সৌৰ শক্তি সম্পন্ন প্ৰকল্প স্থাপনৰ লগতে নৱীকৰণযোগ্য শক্তিক্ষেত্ৰৰ সৰলীকৰণৰ বাবেও ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বত ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০

গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰীপাৰৰ বহু পুৰণি গছ কটাৰ সিদ্ধান্তৰ বিৰুদ্ধে সচেতন ৰাইজে প্ৰতিবাদ কৰাৰ পাছতে ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ বিষয়টো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৰুত্বসহকাৰে লৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে, দীঘলীপুখুৰীৰ পৰা নুনমাটিলৈ উৰণ সেতু নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে অঞ্চলটোৰ পুৰণি গছবোৰ সুৰক্ষিত ৰখাৰ বাবে কাম কৰি আহিছে। এটা বিকল্প প্ৰস্তাৱৰ সন্ধান আৰু ইয়াৰ সম্ভাৱনা মূল্যায়ন কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক কেইদিনমান সময় দিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনায়। তেওঁ লগতে কয় যে, ৰাজ্য চৰকাৰে আন্তঃগাঁথনি আগুৱাই নিয়াৰ সমান্তৰালকৈ গুৱাহাটীৰ ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ দিশত গুৰুত্ব দি আহিছে।

০০০০০

অসমত ২০০৮ চনৰ ৩০ অক্টোবৰত সংঘটিত উগ্ৰপন্থীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ আজি ১৬ বছৰ সম্পূৰ্ণ হৈছে। গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰোডত সংঘটিত বোমা বিস্ফোৰণত বহু লোকে প্ৰাণ হেৰুৱাইছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছে। সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি বোমা বিস্ফোৰণত নিহত সকললৈ বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। মহানগৰীৰ গণেশগুৰিত মৃত্যু হোৱা লোকসকললৈ শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰা হয়।

০০০০০

অহা ১৩ নৱেম্বৰত অসমৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। পাঁচোটা সমষ্টিতে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আম আদমী পাৰ্টীয়ে তীব্ৰ প্ৰচাৰ অভিযান চলায়। চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত মন্ত্ৰী বিমল বৰাই কেইবাখনো এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। চিৰাং জিলাৰ ছিদলী বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ সমৰ্থনত আজি প্ৰচাৰ চলোৱা হয়। গৰুভাষা নাগদলবাৰীত অনুষ্ঠিত প্ৰচাৰ সভাত ৭০ গৰাকী লোকে ইউ পি পি এল দলত যোগদান কৰে।

ইপিনে আজি ধলাই বিধানসভা সমষ্টিৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। ইয়াৰ ফলত সমাগত উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া মুঠ প্ৰাৰ্থীৰ সংখ্যা ৩৪ গৰাকী হয়। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ ভিতৰত ধলাইত ৮ জন, ছিদলীত ৩ জন, বঙাইগাঁৱত ৮ জন, বিহালীত ৪ জন আৰু চামগুৰি সমষ্টিত ১১ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখযোগ্য যে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আছিল।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হ'ব। ইতিমধ্যে হাতীৰ ছাফাৰীৰ বাবে হাতীৰ স্বাস্থ্য পৰীক্ষা, মাউতৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় সকলো কাম-কাজ সম্পন্ন কৰা হৈছে। কঁহৰা বনাঞ্চলত বন বিভাগৰ ১০টা পোহনীয়া হাতী আৰু বাগৰি বনাঞ্চলত প্ৰায় ৫০ হাতীৰ পঞ্জীয়ন কৰা হৈছে। হাতী ছাফাৰী মুকলি সন্দৰ্ভত এয়া গোলাঘাটৰ আমাৰ সংবাদদাতা হিৰণ্য গগৈ-

**ভইচ কাষ্ট (হিৰণ্য গগৈ)**

ইপিনে, নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প ২০২৪-২৫ বৰ্ষৰ বাবে আজিৰে পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰী ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিছে।

০০০০০

ৰাজ্যত অহা ১৩ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বাবে এতিয়ালৈকে ৪৯ লাখতকৈও অধিক পঞ্জীয়ন সম্পন্ন হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খেলৰ প্ৰতি থকা এনেধৰণৰ অভূতপূৰ্ব সঁহাৰিয়ে অসমৰ ক্ৰীড়া সংস্কৃতিক উৎসাহ যোগোৱাৰ লগতে ৰাজ্যৰ ক্ৰীড়াৰ ক্ষেত্ৰৰ বিকাশক প্ৰতিফলিত কৰিছে বুলি সামাজিক মাধ্যমযোগে অৱগত কৰিছে। এইবাৰৰ খেল মহাৰণ প্ৰতিযোগিতা এথলেটিকছ, ফুটবল, ভলীবল, দবা, সাঁতোৰ, কাবাডী আৰু চাইক্লিং এই ৭টা শাখাত অনুষ্ঠিত হ'ব। খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বাবে পুৰুষৰ সমানে মহিলাসকলেও নিজৰ নাম পঞ্জীয়নভুক্ত কৰিছে। এইপৰ্যন্ত ২২ লাখৰো অধিক মহিলাই খেল মহাৰণৰ বাবে পঞ্জীয়ন কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা উপলক্ষে অহা ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ ৰাজ্যজুৰি ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হ'ব। চৰাইদেউ জিলাতো বিভিন্ন কাৰ্যসূচীৰে ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ বিভিন্ন দিশ আৰু প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ বাবে আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে মাতৃভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিয়া হ'ব বুলি উল্লেখ কৰে। তেওঁ জিলাবাসীক ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ বাবে প্ৰধানমন্ত্ৰীলৈ কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে শিক্ষানুষ্ঠান, সামাজিক, সাংস্কৃতিক আৰু জাতীয় সংগঠনৰ লগতে ছাত্ৰ সংগঠনসমূহক বিভিন্ন কাৰ্যসূচী আয়োজন কৰিবলৈ আহ্বান জনায়।

০০০০০

কৃষিমন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাটৰ মহুৰা বৰপথাৰত ই চি আৰ পি আঁচনিৰ অধীনত নিৰ্মিত আয়ুষ্মান আৰোগ্য মন্দিৰৰ ছখন বিছনাযুক্ত গৃহটো আনুষ্ঠানিকভাৱে মুকলি কৰে। এই প্ৰতিষ্ঠানখনে স্থানীয় ৰাইজক তাৎক্ষণিক চিকিৎসা প্ৰদানৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

বাক্সা জিলা প্ৰশাসনৰ উদ্যোগত আজি মুছলপুৰত এদিনীয়া কাৰ্যসূচীৰে বাক্সা জিলা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিচি পৰিষদৰ অধ্যক্ষ

কাতিৰাম বড়ো, জিলা আয়ুক্তকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত জিলাখনৰ জ্যেষ্ঠ নাগৰিক আৰু সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়। বাক্সা জিলা দিৱস উপলক্ষে গছপুলি ৰোপণ আৰু চাইকেল সমদল কাৰ্যসূচীও ৰূপায়িত হয়। উল্লেখযোগ্য যে বিটিচি চুক্তি অনুসৰি ২০০৩ চনৰ আজিৰ দিনটোতে নলবাৰী, কামৰূপ আৰু বৰপেটা জিলাৰ কিছু অংশক সামৰি বাক্সা জিলা গঠিত হৈছিল।

ooooo

সমাপ্ত